As per CBCS Syllabus


# শিক্ষাদান কৌশলৰ বিকাশ

## (Developing Teaching Skill)

গুৱাহাটী বিশ্ববিদ্যালয়

**B.A. 6th Semester in Education**
**Skill Enhancement Course**

**Paper Code:Edu-SE-6014**



ড° নিৰঞ্জন ঠেঙাল
ৰুবী দত্ত

UNION Book publication

## ১.১ শিক্ষাদান আৰু শিক্ষাদান কৌশলৰ ধাৰণা (Concept of Teaching and Teaching skill)

### ১.১.১ শিক্ষাদানৰ ধাৰণা (Concept of Teaching)

ওপৰে ওপৰে চাবলৈ গ'লে শিক্ষাদান হ'ল দুটা শব্দৰ সংমিশ্ৰণ-শিক্ষা আৰু দান। তাৰ মানে কোনো বিষয় সম্পৰ্কে কাৰোবাক শিক্ষা প্ৰদান কৰা কাৰ্যই হ'ল শিক্ষাদান য'ত একোণত বিষয়টোৰ সম্পৰ্কে এজন জনা লোক আৰু আন কোণত এজন বা ততোধিক নজনা লোক থাকে। এই ফালৰ পৰা চাবলৈ গ'লে এজন অভিজ্ঞ লোকে কোনো অনভিজ্ঞ লোকক জ্ঞান প্ৰদান কৰা কাৰ্যই হ'ল শিক্ষাদান। কিন্তু ইয়াক শিক্ষাদান বুলি কোৱাতকৈ নিৰ্দেশনা বুলি কোৱাহে সমিচীন হ'ব। কিয়নো শিক্ষাদানত কেৱল বৌদ্ধিক দিশৰে উত্তৰণ ঘটোৱা নহয়, বৰঞ্চ ইয়াত বিষয়টোৰ সম্পৰ্কে অনুভৱ আৰু অনুশীলনৰো বিকাশ সাধনৰ চেষ্টা চলোৱা হয়। গতিকে ক'ব পাৰি যে শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে শিক্ষাৰ্থীৰ বৌদ্ধিক, আনুভূতিক আৰু ক্ৰিয়াত্মক দিশৰ উত্তৰণৰ প্ৰচেষ্টাই হ'ল শিক্ষাদান।

সৰল ভাষাত ক'বলৈ গ'লে শিক্ষাদান হ'ল শিকোৱা কাৰ্য। কিন্তু জোৰ কৰি কাকো শিকাব নোৱাৰি। সেয়েহে ক'ব পাৰি যে শিক্ষাৰ্থীক শিকিবলৈ সহায় কৰাটোৱেই হৈছে শিক্ষাদান। এইখিনিতে শিক্ষকৰ কাম হ'ল শিক্ষাৰ্থীক বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হিচাপে আগুৱাই লৈ যোৱা। শিক্ষাদান সম্পৰ্কে বিভিন্ন শিক্ষাবিদ তথা দাৰ্শনিকে বিভিন্ন মত পোষণ কৰিছে। তলত শিক্ষাদান সম্পৰ্কে কেইটামান গুৰুত্বপূৰ্ণ সংজ্ঞা তুলি ধৰা হ'ল।

## শিক্ষাদানৰ সংজ্ঞা (Definitions of Teaching)

১) Burton ৰ মতে, "শিক্ষাদান হ'ল শিকাৰ বাবে প্ৰয়োজন হোৱা উদ্দীপনা, পৰামৰ্শ, নিৰ্দেশনা আৰু উৎসাহ বা প্ৰেৰণা।" (Teaching is the stimulation, guidance, direction and encouragement of learning)

২) N.L. Gage ৰ মতে, "শিক্ষাদান হ'ল এক প্ৰকাৰৰ আন্তঃব্যক্তি প্ৰভাৱ য'ত অন্য ব্যক্তিৰ আচৰণ পৰিৱৰ্তনৰ চেষ্টা চলোৱা হয়।" (Teaching is a form of Interpersonal influence aimed at changing the behaviour potential of another person.)

৩) Thomas F. Green ৰ মতে, "শিশুৰ বিকাশৰ বাবে শিক্ষকে সম্পাদন কৰা কাৰ্যৰ সমষ্টিয়েই হ'ল শিক্ষাদান।" (Teaching is the task of teacher which is performed for the development of a child).

৪) B.O. Smith ৰ মতে, "শিকাৰ প্ৰতি উৎসাহিত কৰি তুলিবলৈ কৰা কেতবোৰ কাৰ্যৰ সমষ্টিয়েই হ'ল শিক্ষাদান।" (Teaching is a system of actions intended to induce learning.)

ওপৰৰ দাৰ্শনিক মতামত সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে শিক্ষাদানৰ মূল উদ্দেশ্যই হ'ল শিক্ষাৰ্থীক শিকাত সহায় কৰা। আপাতত শিক্ষাদান কাৰ্যৰ মূল কেন্দ্ৰবিন্দু শিক্ষক যেন লাগিলেও আচলতে শিক্ষাৰ্থীহে ইয়াৰ মূল কেন্দ্ৰবিন্দু। শিক্ষাৰ্থীৰ ৰুচি কি, প্ৰয়োজনীয়তা কি, শিকাৰ প্ৰতি তেওঁলোকক কেনেকৈ উৎসাহিত কৰিব পাৰি, ইত্যাদি কথাবোৰক কেন্দ্ৰ কৰিয়েই সমগ্ৰ শিক্ষাদান প্ৰক্ৰিয়াটো চলি থাকে। গতিকে ক'ব পাৰি যে শিকা কাৰ্যটো ফলপ্ৰসূ কৰি তুলিবলৈ প্ৰয়োজন হোৱা এক সামগ্ৰিক পৰিবেশৰ সূচনা কৰা কাৰ্যই হ'ল শিক্ষাদান।

## শিক্ষাদানৰ বৈশিষ্ট্য (Characteristics of Teaching)

শিক্ষাদানৰ কিছুমান স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ তলত চমুকৈ আলোচনা কৰা হ'ল।

### ১) শিক্ষাদান এক কলা (Teaching is an Art)

বিভিন্নজনৰ হাতত শিক্ষাদানে বিভিন্ন ৰূপত প্ৰকাশ লাভ কৰে। যেনেকৈ একেখন ছবিয়েই বহুজনৰ হাতত ভিন্নভাৱে অংকিত হয়। সেয়েহে শিক্ষাদানক কলা আখ্যা দিয়া হয়। সাধনাৰ যোগেদিহে এই কলাই বিকাশ লাভ কৰে।

### ২) ত্ৰিপাক্ষিক প্ৰক্ৰিয়া (Tripolar Process)

শিক্ষাদান এক ত্ৰিপাক্ষিক প্ৰক্ৰিয়া। শিক্ষক, শিক্ষাৰ্থী আৰু শিক্ষণীয় পৰিবেশ এই তিনিওটা পক্ষৰ উপস্থিতিতহে শিক্ষাদান কাৰ্য সংঘটিত হয়।

### ৩) পাৰস্পৰিক প্ৰক্ৰিয়া (Reciprocal Process)

শিক্ষাদান এক পাৰস্পৰিক প্ৰক্ৰিয়া। ই হ'ল শিক্ষক, শিক্ষাৰ্থী আৰু শিক্ষণীয় পৰিবেশৰ মাজত হোৱা এক পাৰস্পৰিক আন্তঃক্ৰিয়া।

### ৪) আনুষ্ঠানিক আৰু অনানুষ্ঠানিক (Formal as well as Informal)

শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে শিক্ষাৰ্থীক শিকাত সহায় কৰিবলৈ কৰা প্ৰতিটো প্ৰচেষ্টাকে শিক্ষাদানে সাঙুৰি লয়। সেয়েহে ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো প্ৰকাৰে সংঘটিত হোৱা এক প্ৰক্ৰিয়া।

### ৫) পাৰস্পৰিক নিৰ্ভৰশীলতা (Interdependence)

শিক্ষাদান স্বতন্ত্ৰ নহয়। শিক্ষাৰ্থী অবিহনে কেৱল শিক্ষকৰ উপস্থিতিত শিক্ষাদান সম্ভৱ নহয়। আনহাতে শিক্ষণীয় পৰিবেশৰ অবিহনেও কেৱল শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত শিক্ষাদান সম্ভৱ নহয়। এই তিনিওটাৰে পাৰস্পৰিক নিৰ্ভৰশীলতাতহে শিক্ষাদান কাৰ্য সম্পাদিত হয়।

### ৬) গতিশীল (Dynamic)

শিক্ষাদান এক গতিশীল কাৰ্য। সময়ৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাদান কাৰ্যৰো ক্ৰমবিকাশ ঘটিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে শিক্ষাদানক ন ৰূপত সজাই তুলিছে।

### ৭) সঁহাৰিকেন্দ্ৰিক (Feedback centred)

শিক্ষাদান সঁহাৰিকেন্দ্ৰিক। শিক্ষাদান কাৰ্যৰ ফলপ্ৰসূতা নিৰ্ভৰ কৰে সঁহাৰিৰ ওপৰত। এই সঁহাৰি আনৰ পৰাও পাব পাৰি নতুবা আত্মমূল্যায়নৰ যোগেদিও পাব পাৰি। অৰ্থাৎ কোনো শিক্ষকৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে জানিবলৈ সঁহাৰি এক উত্তম আহিলা।

### ৮) সংযোগ প্ৰক্ৰিয়া (Communication Process)

শিক্ষাদানক সংযোগ প্ৰক্ৰিয়া বুলিবও পাৰি। কিয়নো শিক্ষাদানত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত যোগাযোগ সংঘটিত হয়। এই যোগাযোগ আশাপ্ৰদ কৰি তুলিবৰ বাবে কেতবোৰ কৌশল অৱলম্বন কৰা হয় যাক যোগাযোগৰ কৌশল হিচাপে জনা যায়। সেয়েহে শিক্ষকে ভাষিক আৰু অভাষিক যোগাযোগৰ কৌশলসমূহ আয়ত্ব কৰাটো নিতান্তই প্ৰয়োজনীয়।

### ৯) মনোবৈজ্ঞানিক প্ৰক্ৰিয়া (Psychological Process)

জন আডাম্‌চে কৈছিল শিক্ষকে শিক্ষণীয় বিষয়বস্তুৰ উপৰিও শিক্ষাৰ্থীৰ বিষয়েও জনা দৰকাৰ। যি শিক্ষকৰ শিশু মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞানৰ জ্ঞান আছে তেনে শিক্ষকেহে শিশুক ভালকৈ শিকাব পাৰে। এই ফালৰ পৰা শিক্ষাদান এক মনোবৈজ্ঞানিক কাৰ্য।

### ১০) কৌশলী কাৰ্য (Skillful Activity)

শিক্ষাদান এক কৌশলী কাৰ্য। যি শিক্ষকে কেতবোৰ কৌশল যেনে প্ৰশ্নসোধা, ব্যাখ্যাকৰণ, প্ৰদৰ্শন আদি আয়ত্ব কৰিবলৈ সক্ষম হৈছে সেইজনেই শিক্ষাদান কাৰ্যত সফলতা লাভ কৰিছে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে শিক্ষাদান এক জটিল

কাৰ্য। ই এক কলা। সকলো লোকেই শিক্ষাদান কৰিব নোৱাৰে। ইয়াৰ বাবে সাধনা, অভিজ্ঞতা আৰু প্ৰশিক্ষণৰ প্ৰয়োজন।

**শিক্ষাদানৰ উপাদানসমূহ (Components of Teaching)**

শিক্ষাদান কাৰ্য সফলতাৰে ৰূপায়ণ কৰিবলৈ হ'লে ইয়াৰ নিৰ্দিষ্ট কিছুমান উপাদানৰ বিষয়ে জনাটো অত্যন্ত প্ৰয়োজনীয়। সাধাৰণতে শিক্ষাদানত তলৰ উপাদান সমূহ নিহিত হৈ থাকে।

**১) শিক্ষক (Teacher)**

শিক্ষাদানৰ প্ৰথম আৰু প্ৰধান উপাদান হ'ল শিক্ষক। শ্ৰেণীকক্ষৰ শিক্ষাদানত শিক্ষকজনে মুখ্য ভূমিকা পালন কৰে। শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ ভাষাৰে ক'বলৈ গ'লে শিক্ষকজনেই হ'ল শিক্ষাদান প্ৰক্ৰিয়াৰ সকলো জ্ঞান-অভিজ্ঞতাৰ উৎস।

**২) শিক্ষাৰ্থী (Student)**

শিক্ষাদানৰ দ্বিতীয় মুখ্য উপাদানটো হ'ল শিক্ষাৰ্থী। শিক্ষাৰ্থী অবিহনে শিক্ষাদান কাৰ্য অচল। শিক্ষকে প্ৰদান কৰা জ্ঞান-অভিজ্ঞতা শিক্ষাৰ্থীসকলে গ্ৰহণ কৰে। সেয়েহে শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ ভাষাত শিক্ষাৰ্থীসকলক সংগ্ৰাহক (Receiver) বুলি কোৱা হয়।

**৩) শিক্ষণীয় বিষয়বস্তু (Subject-matter)**

শিক্ষাদানৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান হ'ল শিক্ষণীয় বিষয়বস্তু। শিক্ষণীয় বিষয়বস্তুৰ অবিহনে কেৱল শিক্ষক আৰু শিক্ষাৰ্থীৰ সংযোগত শিক্ষাদান সম্ভৱ নহয়। বৰঞ্চ শিক্ষক আৰু শিক্ষাৰ্থীয়ে শ্ৰেণীকক্ষত কেনে ধৰণৰ জ্ঞান-অভিজ্ঞতাৰ আদান-প্ৰদান কৰিব সেইটো শিক্ষণীয় বিষয়বস্তুৰ ওপৰতে নিৰ্ভৰ কৰে। শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ ভাষাত শিক্ষণীয় বিষয়বস্তুক বাৰ্তা (Message) বুলি কোৱা হয়।

**৪) শিক্ষাদান পদ্ধতি (Method of Teaching)**

শ্ৰেণীকক্ষত শিক্ষকে শিক্ষণীয় বিষয়বস্তু উপস্থাপনৰ বাবে যিবোৰ মাধ্যম ব্যৱহাৰ কৰে সেইবোৰকে শিক্ষাদান পদ্ধতি বোলে। এই পদ্ধতিসমূহ ভাষিক, ভাষাবিহীন, লিখিত আদি বিভিন্ন ধৰণৰ হ'ব পাৰে। শিক্ষাদানৰ বেলিকা শিক্ষকে নিৰ্বাচন কৰা উপযুক্ত শিক্ষাদান পদ্ধতিৰ ওপৰতে শিক্ষাদান কাৰ্যৰ সফলতা নিৰ্ভৰ কৰে। শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ ভাষাত শিক্ষাদান পদ্ধতিসমূহক মাধ্যম (Channel) বুলি কোৱা হয়।

**৫) শিক্ষণীয় পৰিবেশ** (Teaching Environment)

শিক্ষণীয় পৰিবেশ বুলিলে শ্ৰেণীকোঠাৰ ভিতৰৰ পৰিবেশকে বুজা যায়। শ্ৰেণীকোঠাৰ পৰিবেশ শিক্ষাদানৰ বাবে অনুকূল হ'লেহে শিক্ষকৰ দ্বাৰা ফলপ্ৰসূ শিক্ষাদান সম্ভৱ হয়। এক উপযুক্ত শিক্ষণীয় পৰিবেশ সৃষ্টি আৰু পৰিচালনাৰ দায়িত্ব মূলতঃ শিক্ষকজনৰ। শিক্ষকে সঠিক সঁজুলি আৰু পদ্ধতিৰ ব্যৱহাৰেৰে শিক্ষাৰ্থীক অভিৰোচিত কৰি শিক্ষাদানৰ বাবে অনুকূল পৰিবেশৰ ৰচনা কৰিব লাগে। শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ ভাষাত শিক্ষণীয় পৰিবেশক পৰিবেশ (Setting) বুলি কোৱা হয়।